# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 27-08-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অহা শুকুৰবাৰে ভূৱনেশ্বৰত অনুসূচীত জাতি-জনজাতিৰ কল্যাণৰ বাবে থকা সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কমিটিসমূহৰ অধ্যক্ষসকলৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।

২। জম্মু অঞ্চলত হৈ থকা নেৰানেপেৰা বৰষুণৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ ৰে'লৱেই ১৮ খন ৰে'লৰ যাত্ৰা বাতিল কৰিছে।

৩। মহাৰাষ্ট্ৰত আজি সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতীক হিচাপে গন্য কৰা গণেশোৎসৱৰ পালন উলহ-মালহেৰে আৰম্ভ হৈছে।

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ কৃষি সম্পৰ্কীয় যুটীয়া কাৰ্যগোটৰ পঞ্চমখন বৈঠক কালি ভাৰ্চুৱেল পদ্ধতিৰে সম্পন্ন হয়। ***আৰু***

৫। বিহাৰৰ ৰাজগিৰত হ'বলগীয়া পুৰুষৰ দ্বাদশ এছিয়া কাপ হকী প্ৰতিযোগিতালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অহা শুকুৰবাৰে ভূৱনেশ্বৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে থকা সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কমিটিসমূহৰ অধ্যক্ষসকলৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। অধ্যক্ষগৰাকীয়ে এখন প্ৰদৰ্শনী মুকলি কৰাৰ লগতে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰিব বুলি লোকসভাৰ সচিবালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে। এই সন্মিলনৰ বিষয়বস্তু হৈছে– অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ, উন্নয়ন আৰু সৱলীকৰণত সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কমিটিৰ ভূমিকা। সন্মিলনত ১২০ গৰাকীতকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। সন্মিলনত অনুসূচীত জাতি-জনজাতিৰ লোকসকলৰ সাংবিধানিক সুৰক্ষা শক্তিশালী কৰা, তেওঁলোকৰ আৰ্থসামাজিক উন্নয়ন আৰু সৱলীকৰণৰ বাবে শ্ৰেষ্ঠ পদ্ধতিসমূহৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হ'ব। সন্মিলনত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু ৰাজ্যখনৰ বিধানসভাৰ অধ্যক্ষ সুৰমা পাধিয়েও অংশ লোৱাৰ কথা আছে।

ooooo

জম্মু অঞ্চলত হৈ থকা নেৰানেপেৰা বৰষুণৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ ৰে'লৱেই কাটৰা, উধমপুৰ আৰু জম্মু ৰে'লৱে ষ্টেচনৰ পৰা যাবলগীয়া ১৮ খন ৰে'লৰ যাত্ৰা বাতিল কৰিছে। ৰে'ল মন্ত্ৰালয়ৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি চাৰিখন ৰে'লৰ যাত্ৰা চমু কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি বাতিল কৰা ৰে'লগাড়ীসমূহৰ ভিতৰত ৭ খনে কাটৰা, দুখনে উধমপুৰ আৰু এখনে জম্মুৰ পৰা যাত্ৰা কৰাৰ কথা আছিল। মন্ত্ৰালয়ে কাটৰা আৰু উধমপুৰলৈ বুলি যাবলগীয়া কেইবাখনো ৰে'ল বাতিল কৰা বুলিও প্ৰকাশ কৰিছে।

অৱশ্যে কাটৰা-শ্ৰীনগৰ অংশত ৰে'লযাত্ৰা পূৰ্বৰ দৰে চলি আছে। বিগত সোমবাৰৰ নিশাৰ পৰা অঞ্চলটোত হৈ থকা ধাৰাষাৰ বৰষুণে কেইবাখনো দলং ক্ষতিগ্ৰস্ত কৰাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ নিৰাপত্তাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৰষুণৰ বাবে টাৱি, চেনাব, নেৰু, কালনাই আদিৰ দৰে প্ৰধান নৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। বতৰৰ বাবে সীমান্ত সুৰক্ষা বাহিনীয়ে জম্মুৰ পালৌৰা কেম্পত কনিষ্টবলৰ নিযুক্তিৰ বাবে হ'বলগীয়া পৰীক্ষাও বাতিল কৰিছে।

ooooo

মহাৰাষ্ট্ৰত আজি সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতীক হিচাপে গন্য কৰা গণেশোৎসৱৰ পালন উলহ-মালহেৰে আৰম্ভ হৈছে। ভগৱান গণেশৰ আগমনৰ দিনটোৰ উদযাপন ৰাইজে অতি উৎসাহেৰে শুভাযাত্ৰা আৰু পৰম্পৰাগতভাৱে ঢোল-বাদনেৰে আৰম্ভ কৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। অহা অনন্ত চতুৰ্দশী পৰ্যন্ত ১১টা দিন এই উদযাপন চলি থাকিব। গণেশোৎসৱক জনসাধাৰণৰ মাজত অতি জনপ্ৰিয় কৰাৰ কৃতিত্ব লোকমান্য বাল গংগাধৰ তিলকক দিয়া হয়। ১৮৯৩ চনত পুনেত ব্ৰিটিছৰ অত্যাচাৰী শাসনৰ সময়ছোৱাত ভাৰতীয় জনসাধাৰণৰ মাজত একতা আৰু জাতীয়তাবাদৰ মনোভাৱ জগাই তোলাৰ প্ৰধান লক্ষ্যৰে তেওঁ এই উৎসৱৰ উদযাপনৰ আৰম্ভণি কৰিছিল। তেতিয়াৰে পৰা সমগ্ৰ মহাৰাষ্ট্ৰতে এই উৎসৱ উলহ-মালহেৰে পালন কৰি অহা হৈছে। এই বছৰৰ পৰা মহাৰাষ্ট্ৰ চৰকাৰে গণেশোৎসৱক আনুষ্ঠানিকভাৱে ৰাজ্যিক উৎসৱৰ মৰ্যাদা প্ৰদান কৰিছে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই গণেশ চতুৰ্থীৰ প্ৰাকক্ষণত কালি দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমত লিখা এটা প'ষ্টৰ জৰিয়তে শ্ৰীবিৰলাই প্ৰথম পূজ্য দেৱতা তথা সকলো সাফল্যৰ মূল ভগৱান শ্ৰীগণেশক প্ৰাৰ্থনা কৰি সকলোৰে জীৱনলৈ মংগল আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ বাবে তেওঁৰ আশীৰ্বাদ বিচাৰে। উন্নয়নৰ পথত অবিৰতভাৱে আগবাঢ়ি যাবৰ বাবে ৰাষ্ট্ৰক আশীৰ্বাদ প্ৰদান কৰিবলৈ তেওঁ ভগৱান শ্ৰীগণেশক প্ৰাৰ্থনা কৰে।

ooooo

ৰাজস্থানৰ জয়ছেলমেৰ মেঘা গাঁৱত গৱেষকসকলে বিৰল প্ৰজাতিৰ কুম্ভীৰসদৃশ জীৱাশ্ম আৱিষ্কাৰ কৰিছে। ১ দশমিক ৫ৰ পৰা ২ মিটাৰ পৰ্যন্ত দীঘল এই জীৱাশ্মটো প্ৰায় ২০ কোটি বছৰ পূৰ্বৰ জুৰাচিক যুগৰ বুলি অনুমান কৰা হৈছে। ৰাজ্যখনৰ জ্যেষ্ঠ জল ভূ-তত্ত্ববিদ ড০ নাৰায়ণ দাস ইংখিয়া আৰু তেওঁৰ দলটোৱে এই জীৱাশ্মৰ সন্ধান লাভ কৰিছে। শ্ৰীইংখিয়াই সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত কয়, যে সেই স্থানত আৰু বহুতো জীৱাশ্মৰ সন্ধান পোৱাৰ সম্ভাৱনা আছে, যিয়ে বিৱৰ্তনৰ ইতিহাস সন্দৰ্ভত গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় তথ্য দাঙি ধৰিব। ইয়াৰ দ্বাৰা অঞ্চলটো জীৱাশ্ম পৰ্যটনৰ বাবে উল্লেখযোগ্য স্থান হিচাপেও পৰিগণিত হ'ব বুলি তেওঁ মন্তব্য কৰে। ভূ-বিজ্ঞানী চি পি ৰাজেন্দ্ৰনে কয়, যে জীৱাশ্মটো অৰ্ধ জলজ প্ৰাণীৰ অৰ্থাৎ প্ৰাণীবিধে নদীৰ লগতে স্থলভাগতো বাস কৰিছিল। বিগত সপ্তাহত গাঁওখনৰ একাংশ লোকে অঞ্চলটোত এটা গাঁত খান্দিবলৈ গৈ জীৱাশ্মটোৰ সম্ভেদ পাইছে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ কৃষি সম্পৰ্কীয় যুটীয়া কাৰ্যগোটৰ পঞ্চমখন বৈঠক কালি ভাৰ্চুৱেল পদ্ধতিৰে সম্পন্ন হয়। আলোচনাত কৃষি আৰু সংশ্লিষ্ট ক্ষেত্ৰসমূহত দ্বিপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰাত এই বৈঠকৰ ভূমিকাত দুয়ো পক্ষই আলোকপাত কৰে। কালি আলোচনাৰ মূল বিষয়সমূহৰ ভিতৰত জ্ঞান বিনিময়, গৱেষণাৰ যুটীয়া উদ্যম, সামৰ্থ বিকাশ তথা বজাৰত প্ৰৱেশৰ দৰে বিষয়সমূহে আগস্থান লাভ কৰে।

আলোচনাৰ সময়ত দুয়ো পক্ষই ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু দক্ষিণ আফ্রিকাৰ কৃষি গৱেষণা পৰিষদৰ মাজত সহযোগিতা গভীৰ কৰাৰ সুযোগ সন্দৰ্ভতো বিশদভাৱে কথা পাতে। বৈঠকত ভাৰতৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ যুটীয়া সচিব অজিৎ কুমাৰ সাহু আৰু দক্ষিণ আফ্রিকাৰ আন্তঃৰাষ্ট্রীয় বাণিজ্য প্ৰাসৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক থাপছানা মলেপ'ৰে সহ অধ্যক্ষতা কৰে।

00000

ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাই সংঘাতৰ পৰা মুক্ত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ওপৰত গুৰুত্ব আৰোপ কৰি শান্তিৰ মহাসাগৰৰ দৃষ্টিভংগী দাঙি ধৰিছে। এই দৃষ্টিভংগী আলোচনা, কূটনীতিক আৰু সহমতৰ দ্বাৰা পৰিচালিত হ'ব লাগে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰতি সহযোগিতা আৰু সন্মান প্ৰদৰ্শন কৰিব লাগে। ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদৰ উদ্যোগত আয়োজিত শান্তিৰ মহাসাগৰ বিষয়ক এটা বক্তৃতা অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী ৰাবুকাই এই মন্তব্য কৰে। তেওঁ ভৱিষ্যত প্ৰজন্মৰ বাবে অঞ্চলটোৰ ভূমি আৰু সাগৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ফিজিৰ উন্নয়নত ভাৰত মূল অংশীদাৰ হিচাপে উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নিয়ম অনুসৰি শৃংখলাবদ্ধতা অটুট ৰখা বাঞ্চনীয়। এই অনুষ্ঠানত ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদৰ ভাৰপ্ৰাপ্ত সঞ্চালকপ্ৰধান তথা অতিৰিক্ত সম্পাদক নুটান কাপুৰ মহাৰৰেই অধ্যক্ষতা কৰে। প্ৰশান্ত মহাসাগৰীয় দেশসমূহৰ প্ৰতিনিধি আৰু ৰাষ্ট্ৰসংঘৰ লগতে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ প্ৰতিনিধিয়েও এই অনুষ্ঠানত উপস্থিত থাকে।

00000

মণিপুৰত শেহতীয়াভাৱে ক'ভিড ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনত বিগত ২৪ ঘণ্টাত নতুনকৈ এগৰাকী ৰোগী ক'ভিডত আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে। মণিপুৰৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত তিনিগৰাকী ৰোগীৰ নমুনা পৰীক্ষা কৰাৰ অন্তত তাৰ ভিতৰত এগৰাকী ৰোগী এই ৰোগত আক্ৰান্ত হোৱাটো নিশ্চিত কৰা হয়।

00000

বিহাৰৰ ৰাজগিৰত হ'বলগীয়া পুৰুষৰ দ্বাদশ এছিয়া কাপ হকী প্ৰতিযোগিতালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। প্ৰতিযোগিতাত ভাগ ল'বলগীয়া দলসমূহৰ ভিতৰত মালয়েছিয়া, জাপান, দক্ষিণ কোৰিয়া, কাজাখস্তান, বাংলাদেশ আৰু চীন ইতিমধ্যে ৰাজগিৰত উপস্থিত হৈছে। ইপিনে চীনা টাইপেইৰ দলটো আজি ৰাজগিৰত উপস্থিত হোৱাৰ কথা দলসমূহে নিয়মীয়াভাৱে অনুশীলন খেলত ভাগ লোৱা বুলি জানিব পৰা গৈছে। হকী ইণ্ডিয়াই টিকেটজেনী নামৰ এটা মোবাইল এপ্লিকেচনৰ জৰিয়তে অনলাইন বুকিং পদ্ধতিৰে প্ৰতিযোগিতাৰ খেলসমূহ দৰ্শকে বিনামূলীয়াকৈ চাব পৰাৰ ব্যৱস্থা কৰিছে।

বিহাৰ ৰাজ্যিক ক্ৰীড়া প্ৰাধিকৰণৰ সঞ্চালকপ্ৰধান ৰবীন্দ্ৰন শংকৰণে জনোৱা অনুসৰি প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ টিকটসমূহ বিক্ৰীৰ বাবে মুকলি কৰাৰ পাছত কালি পুৱা ১০ মিনিটৰ ভিতৰতে সম্পূৰ্ণৰূপে শেষ হৈ যায়। ই প্ৰতিযোগিতাখনৰ বাবে দৰ্শকৰ উৎসাহকে প্ৰতিপন্ন কৰে বুলি তেওঁ জানিবলৈ দিয়ে। ইপিনে ৰাইজৰ মাজত প্ৰতিযোগিতাখনৰ প্ৰচাৰ বৃদ্ধিৰ বাবে আৰম্ভ কৰা ট্ৰফী গৌৰৱ যাত্ৰাই ৰাজ্যখনৰ ৩৮ খনৰ ভিতৰত ৩৭ খনতে যাত্ৰা সম্পন্ন কৰিছে।

00000

বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ ইগা ছিয়াটেকে এমিলিয়ানা আৰাংগোক ৬-১, ৬-২ ফলাফলত পৰাস্ত কৰি ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। নিউয়ৰ্কত কালি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ খেলখনত ইগা ছিয়াটেকে প্ৰতিপক্ষ খেলুৱৈগৰাকীক এঘণ্টাৰ যুঁজতে পৰাস্ত কৰে। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে ক্ৰমাগতভাৱে ৭ খন প্ৰতিযোগিতাত প্ৰথম ৰাউণ্ডৰ খেলত বিজয় অৰ্জনৰ কৃতিত্ব লাভ কৰে। পৰৱৰ্তী ৰাউণ্ডত খেলুৱৈগৰাকী কাইলৈ নেডাৰলেণ্ডছৰ ছুজান লামেন্সৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে ইগা ছিয়াটেকে যোৱা মাহত প্ৰথমটো উইম্বলডন খিতাপ দখল কৰিছিল। খেলুৱৈগৰাকীয়ে দুসপ্তাহৰ পূৰ্বে চিনচিনাটি ট্ৰফীও জয় কৰে। ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিব পাৰিলে ছিয়াটেক ছেৰেনা উইলিয়ামছৰ পাছতে একেটা কেলেণ্ডাৰ বৰ্ষতে উইম্বলডন আৰু ইউ এছ্ অপেনৰ খিতাপ দখল কৰা দ্বিতীয়গৰাকী খেলুৱৈ হিচাপে পৰিগণিত হ'ব। ছেৰেনা উইলিয়ামছে ২০১২ চনত এই কৃতিত্ব অৰ্জন কৰিছিল।

০০০০০

সমাপ্ত